জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩১১/২০২১

# কাৰ্বি আংলং জিলাৰ দলামৰা ধৰ্মীয় ঐক্য সমাৰোহত অংশগ্ৰহণ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৫ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কাৰ্বি আংলং জিলাৰ দলামৰাৰ লখিমন সংঘৰ ধৰ্মীয় ঐক্য সমাৰোহত অংশগ্ৰহণ কৰি কয় যে আধ্যাত্মিক গুৰু লখন ইংতি হেনছেকে মানৱতাৰ বাণী আমাৰ মাজত প্ৰদান কৰি গৈছিল। কাৰ্বি পাহাৰত এইগৰাকী ধৰ্মগুৰুৱে সামাজিক সংস্কাৰ সাধন কৰি শক্তিশালী ভেটি নিৰ্মাণ কৰি গৈছে। গুৰুজনাই আমাক স্বচ্ছতাৰ কথা শিকাই যোৱাৰ উপৰি জ্যেষ্ঠজন আৰু মাতৃভূমিৰ প্ৰতি ভালপোৱা আৰু আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে। এইগৰাকী ধৰ্মগুৰুৰ আদৰ্শক আগুৱাই নিয়াৰ বাবে লখিমন সংঘই বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। কাৰ্বি সংস্কৃতি আৰু পৰম্পৰাক আগুৱাই নি আধ্যাত্মিক জীৱনধাৰা শক্তিশালীকৰণৰ দিশতো নতুন পথ দেখুৱাইছে। মুখ্যমন্ত্ৰীয়ে কয় যে শ্ৰীকৃষ্ণ হৈছে সনাতন ধৰ্মৰ মহানায়ক, পূণ্য অৱতাৰ। পৰিৱৰ্তন তথা সংস্কাৰৰ বাবে একো একোগৰাকী গুৰুৰ আৱিৰ্ভাৱ হয়। গুৰু লখন ইংতি হেনছেকে দেখুৱাই যোৱা পথেৰে আমি জীৱনৰ বাটত অগ্ৰসৰ হ’ব লাগিব বুলিও তেওঁ কয়।

মানুহৰ অন্তৰৰ অনুভূতিৰ দ্বাৰা ধৰ্মৰ যি ভাবাৱেগ প্ৰকাশিত হৈছে সেই দিশত আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনজাতীয় লোকসকলৰ ধৰ্ম আৰু পৰম্পৰাই আমাৰ আধ্যাত্মিক আৰু সামাজিক জীৱন শক্তিশালী কৰি তুলিছে। জনজাতীয় লোকসকলে সভ্যতা আৰু সংস্কৃতিৰ উন্মেষ আৰু প্ৰচাৰ সাধন কৰিছিল বুলিও তেওঁ কয়। প্ৰকৃতিৰ লগত জীয়াই থাকিবলৈ যি জ্ঞানৰ প্ৰয়োজন সেই জ্ঞান জনজাতীয় লোকসকলেই দেখুৱাই আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৫ হাজাৰ বছৰ ধৰি জনজাতীয় লোকসকলে প্ৰকৃতিপ্ৰেমৰ উজ্জ্বল নিদৰ্শন দেখুৱাইছে। মুখ্যমন্ত্ৰীয়ে কয় যে গুৰু লখন ইংতি হেনছেকৰ আৰাধনাস্থলী তথা পাহাৰৰ ওপৰত মন্দিৰ বনোৱাৰ সপোন ৰাজ্য চৰকাৰে সাৰ্থক কৰিব।

ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ অসম ক্ষেত্ৰৰ ক্ষেত্ৰ সহঃ প্ৰচাৰক বশিষ্ঠ বুজৰবৰুৱাই ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন, কাৰ্বি স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, সাংসদ হৰেন সিং বে’, কেইবাগৰাকী বিধায়ক আৰু অন্যান্য গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

**পুঃ ডেঃ**
**০৫-১০-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in